জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৪৯/২০২০

# বৰদিন উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শুভেচ্ছা

**দিছপুৰ, ২৪ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে পৱিত্ৰ বৰদিন উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বী জনসাধাৰণৰ লগতে সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পৱিত্ৰ বৰদিন উদ্‌যাপনে জনসাধাৰণৰ মাজত বন্ধুত্বপূৰ্ণ আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় কৰাৰ উপৰি এক শক্তিশালী আধ্যাত্মিক পৰিৱেশ গঢ় দি সমাজলৈ  শান্তি-সম্প্ৰীতি আৰু প্ৰগতি কঢ়িয়াই আনিব। মুখ্যমন্ত্ৰীয়ে কয় যে পৱিত্ৰ বৰদিন উদ্‌যাপনৰ জৰিয়তে যীশুৰ মানৱতাৰ বাণীৰে আগবাঢ়ি সমাজত সহাৱস্থানৰে শান্তিপূৰ্ণভাৱে বসবাস কৰাৰ বাবে আমি প্ৰেৰণা লাভ কৰো। মূল্যবোধ আৰু আধ্যাত্মিক জীৱনবোধেৰে শক্তিশালী সমাজ নিৰ্মাণত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে বৰদিন উদ্‌যাপনে আমাৰ মাজত বিশ্বজনীন ভাতৃত্ববোধ আৰু বন্ধুত্বপূৰ্ণ পৰিৱেশ অধিক সুদৃঢ় কৰি তুলিব বুলিও কয়।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**২৪/১২/২০২০**